**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-01-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত অংশ লোৱাৰ আপাহতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ব্যৱসায়িক গোটৰ প্ৰতিনিধিৰ সৈতে বৈঠক।

২। ৩০ জানুৱাৰীত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহৰ ডিব্ৰুগড় ভ্ৰমণ সন্দৰ্ভত আজি প্ৰস্তুতি বৈঠক।

৩। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন আৰু কৰ্মৰাজিৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে চত্তিশগড়ৰ পণ্ডিত ৰবিশংকৰ শুক্লা ৰাজ্যিক বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ স্মৃতি আসন প্ৰতিষ্ঠা।

**আৰু**

৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা চূড়ান্ত ৰাউণ্ডৰ এখন খেলত আজি তামিলনাডুৰ হাতত অসম পৰাস্ত।

০০০০০

ছুইজাৰলেণ্ডৰ ডাভ’ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত দেশৰ অন্যতম প্ৰতিনিধিৰূপে উপস্থিত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰাহ গোটৰ মুখ্য পৰিচালন বিষয়া ইকাৰাজ জানজেনৰ সৈতে বিশেষ বৈঠকত মিলিত হয়। বৈঠকত কাৰ্বন ডাই অক্সাইড নিষ্কাষণৰ সৈতে কাম কৰি থকা সংস্থাটোৰ বিশেষ পদ্ধতি অসমৰ কৃষক সমাজক উপকৃত কৰিব পৰাকৈ প্ৰয়োগ কৰাৰ বিষয় লৈ আলোচনা কৰা হয়। গোটটোৱে বায়’চাৰ, পুনৰ উৎপাদনশীল কৃষি আৰু বনানীকৰণৰ জৰিয়তে এশ কোটি টন কাৰ্বন ডাই অক্সাইড নিষ্কাষণৰ লক্ষ্যৰে কাম কৰি আছে। ৰাজ্য চৰকাৰে গোটটোক অসমত অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ কথা চিন্তা চৰ্চা কৰি থকা বুলি ড০ শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৩০ জানুৱাৰীত ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত অংশ ল’বলগীয়া জনসভাৰ প্ৰস্তুতিৰ আজি ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰীয়ে পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে গৃহমন্ত্ৰীগৰাকীয়ে সেইদিনা জনসভাত অংশ লৈ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। আজি মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকন আৰু পিযুষ  হাজৰিকাই ডিব্ৰুগড়ত এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে

জিলাখনৰ বিধায়কসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ পাছত মন্ত্ৰী শ্ৰীহাজৰিকাই সাংবাদিকৰ আগত এইদৰে কয় ঃ

বাইট

০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন, কৰ্মৰাজি, আধ্যাত্মিক দৰ্শন, সাহিত্য আৰু সাংস্কৃতিক অৱদানৰ চৰ্চা, অধ্যয়ন আৰু গৱেষণাৰ বাবে চত্তিশগড়ৰ পণ্ডিত ৰবিশংকৰ শুক্লা ৰাজ্যিক বিশ্ববিদ্যালয়ত আজি শ্ৰীমন্ত শংকৰদেৱ স্মৃতি আসন প্ৰতিষ্ঠা কৰা হয়। চত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাৰ পৰিকল্পনাত আৰু পণ্ডিত ৰবিশংকৰ শুক্লা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতিত এই আসন প্ৰতিষ্ঠা কৰা হৈছে। ৰাজ্যপাল ৰমেন ডেকা, চত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেৱ সাই আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ জ্যেষ্ঠ নেতা কৃষ্ণ গোলাপৰ উপস্থিতিত আনুষ্ঠানিকভাৱে এই অনুষ্ঠান সম্পন্ন হয়। ৰাজ্যপাল ৰমেন ডেকাই এই দিনটো ঐতিহাসিক বুলি অভিহিত কৰি কয়, যে ইয়াৰ ফলত দেশৰ অন্যান্য প্ৰান্তৰ লোকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে জানিবলৈ সমৰ্থ হ'ব।

**বাইট (ৰমেন ডেকা)**

০০০০০

মেঘালয়, ত্ৰিপুৰা আৰু মণিপুৰৰ আজি ৰাজ্য প্ৰতিষ্ঠা দিৱস। ১৯৭২ চনৰ আজিৰ দিনটোতে মেঘালয়, মণিপুৰ আৰু ত্ৰিপুৰাই পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্য তিনিখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ড° শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে ৰাজ্য তিনিখনৰ চহকী পৰম্পৰা আৰু উদ্যমী জনসাধাৰণে উত্তৰ-পূৰ্বাঞ্চলৰ মনোভাৱ সুদৃঢ় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়েও ৰাজ্য প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যকেইখনৰ জনসাধাৰণলৈ ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ৰাজ্যকেইখন চহকী সাংস্কৃতিক ঐতিহ্য, প্ৰাণৱন্ত পৰম্পৰা আৰু মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰে সমৃদ্ধ। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ বাৰ্তাত কয়, যে ৰাজ্য কেইখনে তেওঁলোকৰ চহকী সাংস্কৃতিক ঐতিহ্য, অনন্য পৰম্পৰা আৰু ভাষিক বিচিত্ৰতাৰে দেশৰ এনাজৰী সুদৃঢ় কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ৰাজ্যকেইখনৰ জনসাধাৰণে দেশৰ উন্নয়নত অভূতপূৰ্ব বৰঙণি আগবঢ়াই আহিছে। তেওঁ লগতে ৰাজ্যকেইখনে ভৱিষ্যতেও উন্নয়নৰ নতুন শিখৰত উপনীত হ'বলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০

শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত অহা ৩০ জানুৱাৰীৰ পৰা ১ ফেব্ৰুৱাৰীলৈ আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। উদযাপন সমিতিয়ে আজি এই সন্দৰ্ভত এখন সংবাদমেলৰ আয়োজন কৰি কয়, যে প্ৰতিবছৰে মে-ডাম-মে-ফিৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন এইবাৰ বাতিল কৰা হৈছে। ইয়াৰ পৰিৱৰ্তে ১ ফেব্ৰুৱাৰীত শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হ'ব। পুৰুষ আৰু

মহিলাৰ তিনিটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব বুলি উদযাপন সমিতিয়ে প্ৰকাশ কৰে।

০০০০

গোলাঘাটৰ পৰা ফৰকাটিং হৈ অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানীলৈ অহা-যোৱা কৰা পথত থকা ৰে'লৰে লেভেল ক্ৰছিং প্ৰায় দুমাহ ধৰি বন্ধ কৰি ৰখাৰ পৰিপ্ৰেক্ষিতত আজি স্থানীয় ৰাইজে ফৰকাটিং ৰে'ল ষ্টেচন ঘেৰাও কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। স্থানীয় লোকে আমাৰ সংবাদদাতাক জনোৱা মতে ৰে'ল বিভাগে এই পথটো বন্ধ কৰি দিয়াৰ ফলত যাতায়াতত অসুবিধা হোৱাৰ উপৰি ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰো ক্ষতি হৈছে। শেহতীয়াকৈ গোলাঘাট জিলা আয়ুক্তই ৰে'ল বিভাগৰ সৈতে আলোচনাত মিলিত হৈ এই লেভেল ক্ৰছিং খুলি দিবলৈ নিৰ্দেশ দিছিল যদিও ৰে'লৰে কৰ্তৃপক্ষই বিষয়টো গুৰুত্ব নিদিয়া বুলি স্থানীয় লোকে অভিযোগ কৰিছে। প্ৰতিবাদী জনসাধাৰণে শীঘ্ৰেই এই পথটো মুকলি কৰি দিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনাইছে।

০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনোৱা মতে কাইলৈ পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। কাইলৈ পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। পৰহিলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰিব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব আৰু পৰম্পৰাগত কুকুৰা যুঁজ অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেলসমূহ আজিৰে পৰা অসমত অনুষ্ঠিত হৈছে। ঢকুৱাখনাত অনুষ্ঠিত প্ৰথমখন খেলত ৰাজস্থানে উত্তৰাখণ্ডক ৩-০ গলত পৰাস্ত কৰে। বিয়লিৰ ভাগত একেটা ষ্টেডিয়আমত অনুষ্ঠিত আন এখন খেলত পশ্চিমবংগই - নাগালেণ্ডক ৪-০ গলত পৰাস্ত কৰে। চিলাপথাৰত অনুষ্ঠিত আন এখন খেলত আজি অসম - তামিলনাডুৰ হাতত ১-০ গলত পৰাজিত হয়। চিলাপথাৰত ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোচা,অসম ফুটবল সন্থাৰ সভাপতি তথা ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱ দলে প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ৰাজ্যৰ বিভি্ন্ন জনগোষ্ঠীৰ বাৰেৰহনীয়া নৃত্যানুষ্ঠানে বৰ্ণিল পৰিবেশৰ সৃষ্টি কৰে।

৮ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই প্ৰতিযোগিতাত দেশৰ ১২টা দলে অংশগ্ৰহণ কৰিছে। দেশৰ কেইবাটাও স্থানত অনুষ্ঠিত প্ৰতিযোগিতাৰ লীগপৰ্যায়ৰ বিজয়ী মুঠ ৯ টা দলৰ লগতে যোৱাবাৰৰ ছেম্পিয়ন, বিজিত দল, আৰু আয়োজন ৰাজ্য অসমে পোনপটীয়াকৈ মূল ৰাউণ্ডত অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰিছে। অংশগ্ৰহণকাৰী দলসমূহক ছটা ছটাকৈ দুটা গোটত ভাগ কৰা হৈছে। পশ্চিমবংগ, অসম, নাগালেণ্ড, ৰাজস্থান, উত্তৰাখণ্ড আৰু তামিলনাডুক গ্ৰুপ-এত আৰু ৰে'লৱেছ, ছাৰ্ভিচেছ, কেৰালা, পঞ্জাব, মেঘালয় আৰু ওড়িশাক গ্ৰুপ-বিত ৰখা হৈছে। ফিফা প্লাছ মঞ্চৰ জৰিয়তে প্ৰতিযোগিতাৰ সকলো খেল পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। নকআউট পৰ্যায়ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা শীৰ্ষ চাৰিটা দল অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৫ ফেব্ৰুৱাৰীত ছেমি ফাইনেল খেল দুখন আৰু ৮ ফেব্ৰুৱাৰীত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত